**Gulab Chand Kataria**
*Governor of Assam*

Raj Bhavan, Guwahati
PIN-781 001

सत्यमेव जयते

১৫ আগষ্ট, ২০২৩

# শুভেচ্ছাবাণী

৭৭ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে মই এই মহান ৰাষ্ট্ৰখনৰ সকলো নাগৰিককে শুভেচ্ছা জ্ঞাপন কৰিছোঁ। এইটো এটা গৌৰৱৰ বিষয় যে কঠোৰ পৰিশ্ৰম আৰু ত্যাগৰ ফলত আমাৰ দেশখনে ১৯৪৭ চনত স্বাধীনতা লাভ কৰিছিল। এইটো সত্য যে বিদেশী শাসনৰ কবলৰ পৰা বহুজনৰ মূল্যৱান জীৱনৰ বিনিময়তহে আমি স্বাধীনতা লাভ কৰিছিলোঁ। এই পবিত্ৰ ক্ষণত আমাক স্বাধীনতা প্ৰদান কৰিবলৈ অবৰ্ণনীয় দুখ-যন্ত্ৰণা সহ্য কৰা মহান ব্যক্তিসকললৈ মই মোৰ আন্তৰিক শ্ৰদ্ধা নিৱেদন কৰিছোঁ।

এইটো অতি গৌৰৱৰ বিষয় যে আমাৰ দেশখনে ইতিমধ্যে স্বাধীনতাৰ ৭৫টা বৰ্ষ অতিক্ৰম কৰিছে। এই উপলক্ষে ২০২১ চনৰ ১২ মাৰ্চ পৰা আমি আজাদী কা অমৃত মহোৎসৱ উদযাপন কৰি আছোঁ। এই ৭৭ সংখ্যক স্বাধীনতা দিৱস উদযাপনে আমাৰ অমৃত মহোৎসৱৰ সামৰণি আৰু আজাদী কা অমৃত কালৰ আৰম্ভণিকে সূচাইছে।

এই স্বাধীনতা দিৱসৰ দিনা আহক আমি সকলোৱে পঞ্চপ্ৰাণ প্ৰতিজ্ঞা লওঁ আৰু ২০৪৭ চনত যেতিয়া আমাৰ দেশে স্বাধীনতাৰ শতবৰ্ষ সম্পূৰ্ণ কৰিব তেতিয়ালৈ এখন অমৃতময় ভাৰত নিৰ্মাণ কৰিবলৈ আমি প্ৰতিজ্ঞাবদ্ধ হওঁ।

আজিৰ এই মহান ক্ষণত আহক আমি সকলোৱে দেশ আৰু দেশৰ জনগণৰ সেৱাত নিজকে পুনৰ উৎসৰ্গা কৰোঁ। এই মহান দিনটোত জাতিৰ পিতা মহাত্মা গান্ধী, নেতাজী সুভাষ চন্দ্ৰ বসু তথা আমাৰ বাবে দেশৰ স্বাধীনতা জিনি অনা আন সকলো ব্যক্তিৰ সোঁৱৰণত মই শ্ৰদ্ধাৰে মূৰ দোৱাইছোঁ। অসমৰ সকলো ছহিদ আৰু স্বাধীনতা সংগ্ৰামীলৈও মই মোৰ শ্ৰদ্ধা যাচিছোঁ। তেখেতসকলৰ প্ৰতি আমি চিৰকৃতজ্ঞ হৈ ৰওঁ। মই আকৌ এবাৰ আমাৰ দেশৰ ৭৭ সংখ্যক স্বাধীনতা দিৱসৰ শুভক্ষণত আপোনালোক সকলোলৈ মোৰ শুভেচ্ছা তথা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

জয় হিন্দ

গুলাব চান্দ কাটাৰিয়া
ৰাজ্যপাল, অসম

Tel : (0361) 2540500 (O) ; Fax : (0361) 2731832; Email : rajbhavan-assam@gov.in